## চৰিত্ৰ বিশ্লেষণ

**কুবেৰ ঃ**

'পদ্মা নদীৰ মাঝি' উপন্যাসৰ কেন্দ্ৰীয় চৰিত্ৰ কুবেৰ মাঝি। পেটৰ ভোক, শাৰীৰিক শ্ৰম আৰু অনাটনৰ সৈতে আজন্ম পৰিচিত কুবেৰৰ বাবে দুবেলা দুসাজ খাই পৰিয়ালটিক ৰ'দ, বতাহ-বৰষুণৰ পৰা ৰক্ষা কৰি ৰাখিব পৰাটোৱেই জীৱনৰ সাৰ্থকতা। তাৰ বাবে কুবেৰে কঠোৰ শ্ৰম কৰে। উপন্যাসৰ কাহিনীৰ মাজভাগলৈকে কুবেৰে ধনঞ্জয় মাঝিৰ নাৱত কাম কৰে। লেখা-পঢ়া নাজানিলেও জীৱন অভিজ্ঞতাৰে অভিজ্ঞ কুবেৰ পৰিস্থিতিৰ দাস। সেয়ে ধনঞ্জয়ৰ নাৱত শ্ৰম কৰে। শ্ৰমৰ ভাগৰত নাৱৰ বুকুত হোকা জ্বলাই খাবলৈ লওঁতেই ধনঞ্জয়ে হোকাটো খোজাত পেটে পেটে খং উঠিলেও নিদিয়াকৈ থাকিব নোৱাৰে—

> *একহাতে তীৰেৰ দিকে কোণাকোণি হাল ধৰিয়া ধনঞ্জয় অন্য হাতটি বাড়াইয়া দিয়া বলিল, দে কুবেৰ আমাৰ দে, ধৰাই। কলিকাটি তাহাৰ হাতে দিয়া কুবেৰ ৰাগ কৰিয়া বসিয়া ৰহিল। (পৃঃ ৫)*

চালান বাবুৰ ওচৰত মাছ বেছি পইচা লোৱাৰ সময়ত ধনঞ্জয়ে যাতে ঠগাব নোৱাৰে তাৰ বাবে কুবেৰে সেই সময়খিনি ধনঞ্জয়ৰ সতে 'জোকৰ দৰে' লাগি থাকে। পইচা পোৱাৰ লগে লগে নিজৰ ভাগ বুজি লয়। এদিন কুবেৰৰ জ্বৰ উঠা বাবে ধনঞ্জয়ৰ লগত নাথাকি নাৱত বহি থাকোঁতে ধনঞ্জয়ে মাছৰ হিচাপ কমকৈ দেখুৱাই পইচাৰ ভাগ কমকৈ দেখুওৱাত কুবেৰে প্ৰশ্ন কৰিছিল। কিন্তু ধনঞ্জয়ে ধমকি দি ক'লে — "…. মিছা কথা কইলাম না কিৰে কুবিৰ? জিগাইস না, গণেশ আইলে জিগাইস।" সকলো জানিও কুবেৰ মনে মনে থাকে। কাৰণ সি জানে, তাৰ দৰে দৰিদ্ৰ ক্ষমতাহীন সামান্য প্ৰাণী এটাৰ প্ৰতিবাদ এই জগতত সাব্যস্ত নহয়। অৱশ্যে কুবেৰেও দুটি এটি ইলিশ মাছ ধনঞ্জয়ে গম নোপোৱাকৈ শীতলক দিয়ে যদিও শীতলৰ পৰা মাছৰ দাম সহজে আদায় কৰিব নোৱাৰে। হোসেন মিঞাৰ কুবেৰৰ প্ৰতি থকা সহানুভূতিক কুবেৰে সন্দেহৰ চকুৰে চায়। বৰষুণৰ বাবে হোসেন মিঞাই কুবেৰৰ ঘৰত আশ্ৰয় লোৱাৰ সময়ত নিদ্ৰামগ্ন হোসেনৰ পকেটৰ পৰা পইচা ভৰ্ত্তি থকা বেগ এটা ওলাই পৰাত তাৰ পৰা এটা আধালি, এটা সিকি আৰু এটি আনা পইচা সৰকাই লোৱা কুবেৰে বেছিকৈ চুৰ কৰিবলৈ সাহস কৰিব নোৱাৰে। হোসেন মিঞাৰ নাৱত মাঝিৰ কাম কৰাৰ সময়ত গণেশ, শম্ভু আৰু বগা মাঝিৰ তুলনাত কুবেৰক অধিক বিশ্বাস কৰি হোসেনে যাত্ৰা খৰচৰ বাবে তিনি টকা দিয়াত কুবেৰ অভিভূত হয় —